**25 T—EDUC**

# 2015

## EDUCATION

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

1×12=12

**1.** Answer the following questions :

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

Fill in the blanks :

খালী ঠাই পূৰ কৰা :

*(a)* The Assam Higher Secondary Education Council was established in ——.

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ —— চনত স্থাপন কৰা হয়।

*(b)* The full form of KKHSOU is ——.

KKHSOUৰ সম্পূৰ্ণ ৰূপটো হ'ল ——।

*(c)* The World Population Day is observed on ——.

বিশ্ব জনসংখ্যা দিৱস —— তাৰিখে পালন কৰা হয়।

*(d)* The basis of 'reward and punishment' in education is law of —— of learning.

শিক্ষাত 'শাস্তি আৰু পুৰস্কাৰ'ৰ ভিত্তি হৈছে শিক্ষণৰ —— নীতি।

*(e)* A man identifies a friend whom he was not met for a long time with the help of —— process.

এজন মানুহে বহুদিন লগ নোপোৱা এজন বন্ধুক —— প্ৰক্ৰিয়াৰ দ্বাৰা চিনাক্ত কৰে।

*(f)* The score that appears in maximum number in a distribution of scores is known as ——.

ৰাশিৰ বিভাজন তালিকাত সৰ্বাধিক পুনৰাবৃত্তি ঘটা ৰাশিটোক —— বুলি কোৱা হয়।

*( Continued)*

Give short answer in *one* sentence :

এটা বাক্যত চমু উত্তৰ দিয়া :

*(g)* What was the name of the programme adopted for improvement of Primary Education in India on the basis of National Education Policy, 1986?

জাতীয় শিক্ষা নীতি, 1986-ৰ পৰামৰ্শ অনুযায়ী ভাৰতত প্ৰাথমিক শিক্ষাৰ উন্নতিৰ বাবে গ্ৰহণ কৰা আঁচনিখনৰ নাম কি আছিল ?

*(h)* What is meant by the word 'open' in Open Education?

মুক্ত শিক্ষাত 'মুক্ত' শব্দটোৱে কি বুজায় ?

*(i)* In which year 'Protection of Women from Domestic Violence Bill' was passed?

কোন চনত 'মহিলাৰ ঘৰুৱা হিংসা সুৰক্ষা বিল'খন গ্ৰহণ কৰা হৈছিল ?

*(j)* The driver of a car stops the car when he sees a red signal in a traffic point. Which method of learning seems to operate in this case?

এজন গাড়ীৰ ড্ৰাইভাৰে 'ট্ৰেফিক পইন্ট'ত ৰঙা লাইটটো দেখাৰ লগে লগে গাড়ীখন ৰখাই দিয়ে। এই ক্ষেত্ৰত শিক্ষণৰ কোনটো পদ্ধতিয়ে ক্ৰিয়া কৰা যেন লাগে ?

*(k)* Mention any one environmental factor of interest.

আগ্ৰহৰ যি কোনো এটা পৰিৱেশীয় কাৰক উল্লেখ কৰা।

*(l)* What is the positional measure of central tendency?

কেন্দ্ৰীয় প্ৰৱণতাৰ স্থানসূচক জোখটো কি ?

**2.** What is ECCE? 2

ECCE কি?

**3.** What do you mean by vocationalization of Secondary Education? 2

মাধ্যমিক শিক্ষাৰ বৃত্তিমুখীকৰণ বুলিলে তুমি কি বুজা?

*Or* / অথবা

What is 'work experience' as suggested by Kothari Commission?

কোঠাৰী আয়োগৰ পৰামৰ্শ অনুযায়ী 'কৰ্ম-অভিজ্ঞতা' কি?

**4.** Why is Non-formal Education considered as a flexible system of education? 2

অগতানুগতিক শিক্ষাক কিয় এক নমনীয় শিক্ষা ব্যৱস্থা বুলি বিবেচনা কৰা হয়?

**5.** Write two characteristics of Distance Education. 2

দূৰ শিক্ষাৰ দুটা বৈশিষ্ট্য লিখা।

**6.** What do you mean by Value Education? 2

মূল্যবোধৰ শিক্ষা বুলিলে তুমি কি বুজা?

**7.** "Learning depends upon maturation." Explain with example. 2

"শিক্ষণ পৰিপক্কতাৰ ওপৰত নিৰ্ভৰশীল।" উদাহৰণসহ ব্যাখ্যা কৰা।

**8.** "Attention is a selective process." Briefly explain. 2

"মনোযোগ এক নিৰ্বাচনমূলক প্ৰক্ৰিয়া।" চমুকৈ ব্যাখ্যা কৰা।

**9.** Mention two important characteristics of mental health. 2

মানসিক স্বাস্থ্যৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য উল্লেখ কৰা।

**10.** What do you mean by preservative function of mental hygiene? 2

মানসিক স্বাস্থ্যবিজ্ঞানৰ সংৰক্ষণমূলক কাৰ্যাৱলী বুলিলে তুমি কি বুজা?

**11.** Mention two important characteristics of learning. 2

শিক্ষণৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য উল্লেখ কৰা।

**12.** The third quartile of a distribution is 60·44 and the quartile deviation is 6·5. Find out the first quartile of the distribution. 2

এখন বিভাজনৰ তৃতীয় চতুৰ্থক হৈছে 60·44 আৰু চতুৰ্থক বিচ্যুতি হৈছে 6·5. বিভাজনখনৰ প্ৰথম চতুৰ্থক নিৰ্ণয় কৰা।

**13.** The mean of 10 scores is 27. If one score is excluded, their mean is 25. Find out the excluded number. 2

10টা বাশিৰ গড় হৈছে 27. যদি ইয়াৰ পৰা এটা বাশি বাদ দিয়া হয়, তেতিয়া ইয়াৰ গড় হয় 25. বাদ দিয়া বাশিটো উলিওৱা।

**14.** Suggest four measures to overcome problems of Secondary Education in Assam. 4

অসমৰ মাধ্যমিক শিক্ষাৰ সমস্যাসমূহ সমাধানৰ বাবে চাৰিটা পৰামৰ্শ আগবঢ়োৱা।

*Or* / *অথবা*

What are the suggestions forwarded by National Education Policy, 1986 regarding Secondary Education? Discuss.

জাতীয় শিক্ষানীতি, 1986-ত মাধ্যমিক শিক্ষা সম্পর্কে আগবঢ়োৱা পৰামৰ্শসমূহ কি কি আছিল? আলোচনা কৰা।

**15.** Describe briefly about the importance of Non-formal Education in present society. 4

বৰ্তমান সমাজত অগতানুগতিক শিক্ষাৰ গুৰুত্ব সম্পৰ্কে চমুকৈ আলোচনা কৰা।

*Or* / *অথবা*

Mention four important characteristics of Open Education.

'মুক্ত শিক্ষা'ৰ চাৰিটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য উল্লেখ কৰা।

**16.** Explain the relationship between education and women empowerment. 4

শিক্ষা আৰু মহিলা সৱলীকৰণৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা।

**17.** Discuss about the importance of physical education in school. 4

বিদ্যালয়ত শাৰীৰিক শিক্ষাৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

*Or* / *অথবা*

What are the objectives of physical education? Discuss.

শাৰীৰিক শিক্ষাৰ উদ্দেশ্যসমূহ কি কি? আলোচনা কৰা।

**18.** Mention four major objectives of environmental education. 4

পৰিৱেশ শিক্ষাৰ চাৰিটা প্ৰধান উদ্দেশ্য উল্লেখ কৰা।

**19.** Discuss briefly the educative value of law of readiness of learning. 4

শিক্ষণৰ প্ৰস্তুতিৰ নীতিটোৰ শৈক্ষিক তাৎপৰ্য চমুকৈ আলোচনা কৰা।

**20.** Distinguish between trial and error and insightful learning. 4

প্ৰচেষ্টা আৰু ভুল, আৰু অন্তৰ্দৃষ্টিমূলক শিক্ষণৰ মাজত পাৰ্থক্য দেখুওৱা।

**21.** Describe briefly any two economic methods of memorization. 4

স্মৰণৰ যি কোনো দুটা সঞ্চয়ী পদ্ধতি চমুকৈ বৰ্ণনা কৰা।

*Or / অথবা*

"Interest is precondition of attention." Explain.

"আগ্ৰহ মনোযোগৰ পূৰ্বচৰ্ত।" ব্যাখ্যা কৰা।

**22.** What is bar diagram? Discuss about its different types. 1+3=4

দণ্ডচিত্ৰ কাক বোলে? ইয়াৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে আলোচনা কৰা।

**23.** Draw a frequency polygon from the following data : 4

তলত দিয়া তথ্যসমূহৰ পৰা এটা বাৰংবাৰতা বহুভুজ অংকন কৰা :

| *Class Interval* শ্ৰেণী অন্তৰাল | *Frequency* বাৰংবাৰতা |
|---|---|
| 50–54 | 2 |
| 45–49 | 4 |
| 40–44 | 6 |
| 35–39 | 10 |
| 30–34 | 5 |
| 25–29 | 3 |

**24.** Describe the aims of Secondary Education as suggested by Mudaliar Commission. 6

মাধ্যমিক শিক্ষাৰ লক্ষ্য সম্পৰ্কে মুডালিয়াৰ আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ বৰ্ণনা কৰা।

**25.** What is memory? Discuss briefly about the factors of memory. 2+4=6

স্মৃতি কি? স্মৃতিৰ উপাদানসমূহ চমুকৈ আলোচনা কৰা।

*Or / অথবা*

Discuss how a teacher can improve the attention of students in the classroom environment. 6

শ্ৰেণীকোঠাৰ পৰিৱেশত এজন শিক্ষকে ছাত্ৰৰ মনোযোগ কেনেকৈ বৃদ্ধি কৰিব পাৰে আলোচনা কৰা।

**26.** Explain briefly the conditioned response method of learning. Discuss about the bearing of this method in classroom situation. 2+4=6

শিক্ষণৰ অনুবন্ধিত প্ৰতিক্ৰিয়াৰ পদ্ধতিটো চমুকৈ ব্যাখ্যা কৰা। শ্ৰেণীকোঠাৰ পৰিৱেশত এই পদ্ধতিৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

What is mental health? Discuss about the role of school in promoting mental health of students. 2+4=6

মানসিক স্বাস্থ্য বুলিলে কি বুজা? শিক্ষাৰ্থীৰ মানসিক স্বাস্থ্য ৰক্ষা কৰাত বিদ্যালয়ৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

**27.** Find out mean from the following table using Assumed Mean Method : 6

অনুমিত গড় পদ্ধতিৰে তলৰ তালিকাৰ পৰা গড় নিৰ্ণয় কৰা :

| *Class Interval* / *শ্ৰেণী অন্তৰাল* | *Frequency* / *বাৰংবাৰতা* |
|---|---|
| 70–74 | 1 |
| 65–69 | 3 |
| 60–64 | 5 |
| 55–59 | 6 |
| 50–54 | 12 |
| 45–49 | 5 |
| 40–44 | 5 |
| 35–39 | 1 |
| 30–34 | 2 |
| | $N = 40$ |

**For Blind Candidates only**

( কেৱল দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীৰ বাবে )

( In lieu of Question Nos. **1**(*f*), **1**(*l*), **12**, **13**, **22**, **23** and **27** )

( প্ৰশ্ন নম্বৰ **1**(*f*), **1**(*l*), **12**, **13**, **22**, **23** আৰু **27**-ৰ পৰিৱৰ্তে )

**28.** Answer the following questions in brief (any *four*) : 5×4=20

তলৰ প্ৰশ্নসমূহৰ উত্তৰ চমুকৈ দিয়া (যি কোনো চাৰিটা) :

(a) Write five important characteristics of Non-formal Education.

অগতানুগতিক শিক্ষাৰ পাঁচটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য লিখা।

(b) What are the objectives of Navodaya Vidyalaya?

নবোদয় বিদ্যালয়ৰ উদ্দেশ্যসমূহ কি কি?

(c) Explain the concept of Population Education.

জনসংখ্যা শিক্ষাৰ ধাৰণাটো ব্যাখ্যা কৰা।

(d) Distinguish between learning and maturation.

শিক্ষণ আৰু পৰিপক্কতাৰ মাজত পাৰ্থক্য দেখুওৱা।

(e) What are the characteristics of good memory?

ভাল স্মৃতিৰ বৈশিষ্ট্যসমূহ কি কি?

(f) Mention five characteristics of a mentally healthy person.

মানসিকভাৱে স্বাস্থ্যৱান এজন ব্যক্তিৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

***